**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি কেৱড়িয়াত এহেজাৰ ১৪০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান আন্তঃগাঁথনি আৰু উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আছিয়ান আৰু সহযোগী ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সন্মিলন এ ডি এম এম প্লাছত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি মালয়েছিয়ালৈ ৰাওনা হ'ব।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৪। ভাৰত এসময়ত জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক সামৰ্থৰ ক্ষেত্ৰত অগ্ৰণী আছিল বুলি কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে।

আৰু

৫। ভাৰত আজি মহিলাৰ আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আজি বিয়লি কেৱড়িয়াৰ একটা নগৰত এহেজাৰ ১৪০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান আন্তঃগাঁথনি আৰু উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিলগীয়া প্ৰকল্পসমূহৰ ভিতৰত ৰাজপিপলাৰ বিৰছা মুণ্ডা জনজাতীয় বিশ্ববিদ্যালয়, ৱামন বৃক্ষ বাতিকা, বৈদ্যুতিক বাছ চাৰ্জিং ডিপো আৰু ২৫খন বৈদ্যুতিক বাছৰ সেৱা অন্যতম। ইয়াৰ উপৰি শ্ৰীমোদীয়ে ভাৰতৰ ৰাজকীয় সংগ্ৰহালয়, ক্ৰীড়া চৌহদ, শুলপানেশ্বৰ ঘাটৰ সমীপত অৱতৰণ সেতুৰ উন্নয়ন আৰু একতাৰ প্ৰতিমূৰ্তিত ট্ৰেভেলেতৰ অৰ্থাৎ ঘূৰ্ণিয়মান পথসহ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

কাইলৈ প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে একতা দিৱসৰ সংকল্প আৰু কুচ-কাৱাজতো ভাগ ল'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে গুজৰাটৰ কেৱড়িয়াত এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ প্ৰতীক স্বৰূপে একতাৰ কুচকাৱাজ মুকলি কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। বিহাৰৰ ৰাজধানী পাটনাত আজি এখন সংবাদ মেলত শ্ৰী শ্বাহে কয়, যে প্ৰতিবছৰে ৩১ অক্টোবৰত একতা নগৰত এই কুচকাৱাজৰ আয়োজন কৰা হ'ব। শ্ৰী শ্বাহে কয়, যে কাইলৈ চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদযাপন কৰাৰ পৰিপ্ৰেক্ষিতত এই কুচকাৱাজ অনন্য ৰূপে পৰিগণিত হৈছে। নতুন দিল্লীত প্ৰতিবছৰে আয়োজন কৰা গণৰাজ্য দিৱসৰ কুচকাৱাজৰ দৰে একতাৰ কুচকাৱাজৰো আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহ, ৰাজ্যিক আৰক্ষী বাহিনীসমূহৰ লগতে দেশৰ বিভিন্ন অংশৰ শিল্পীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। আৰক্ষী বাহিনীসমূহৰ অদম্য সাহস আৰু বলিদানৰ বাবে এই কুচকাৱাজ তেওঁলোকৰ নামত উৎসৰ্গিত কৰা হৈছে বুলি শ্ৰী শ্বাহে মন্তব্য কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে এইবেলি দেশৰ প্ৰতিখন ৰাজ্য, জিলা, বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত ব্যাপক পৰিসৰত একতাৰ দৌৰৰ আয়োজন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে বীৰচা মুণ্ডাৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি পহিলা নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ একতা নগৰত ভাৰতপৰ্বৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ভাৰতপৰ্বৰ অন্তিম দিনটো জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰা হ'ব। সেই দিনটোত জনজাতীয় সংস্কৃতি, নৃগোষ্ঠীয় বস্ত্ৰ সম্ভাৰ আৰু সংগীতৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। এই প্ৰদৰ্শনীত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহিলা নৱেম্বৰৰ পৰা হ'বলগীয়া আছিয়ান ৰাষ্ট্ৰ আৰু সহযোগী দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সন্মিলন এ ডি এম এম প্লাছত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি দুদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ ৰাওনা হ'ব। শ্ৰী সিঙে সামাজিক মাধ্যম এক্স যোগে কয়, যে ভাৰত আৰু আছিয়ান সদস্য ৰাষ্ট্ৰসমূহৰ মাজত প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা সুদৃঢ় কৰা আৰু এক্ট ইষ্ট নীতি আগুৱাই নিয়াই এই বৈঠকৰ মূল উদ্দেশ্য। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে আছিয়ান আৰু সহযোগী ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ লগতে মালয়েছিয়াৰ জ্যেষ্ঠ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰক তথা শীৰ্ষ নেতাসকলে ভোটদাতাক আকৰ্ষিত কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুজাফ্‌ফৰপুৰত এখন প্ৰচাৰ সভাত অংশ লৈ কয়, যে বিহাৰৰ জনসাধাৰণৰ বাবে শিক্ষা, স্বাস্থ্য, জলসিঞ্চনকে ধৰি বিভিন্ন ক্ষেত্ৰত সুযোগ সুনিশ্চিত কৰিবলৈ এন ডি এ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কংগ্ৰেছ আৰু ৰাষ্ট্ৰীয় জনতা দলক ষট্ পূজাক অপমান কৰা বুলি অভিযোগ কৰি কয়, যে কংগ্ৰেছ আৰু আৰ জে ডিয়ে ষঠি মাইয়াক অসন্মান কৰাৰ লগতে এই উৎসৱক এখন নাটক বুলি অভিহিত কৰে। ইয়াৰ বিপৰীতে এন ডি এ আৰু বিজেপি বিহাৰৰ ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰসাৰৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে বিহাৰৰ আত্মসন্মানত কৰা এই আক্ৰমণ বা অপমান ৰাজ্যখনৰ জনসাধাৰণে কেতিয়াও নাপাহৰে। পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কংগ্ৰেছ আৰু আৰ জে ডিৰ মূল পৰিচয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই দলসমূহে কেইবা দশকজুৰি বিহাৰত শাসন কৰিলেও তেওঁলোকে কেতিয়াও ৰাজ্যখনৰ উন্নয়ন সাধন কৰিব নোৱাৰে। শ্ৰী মোদীয়ে আৰ জে ডিৰ প্ৰচাৰ অভিযানৰ সময়ত চুৰি, পিষ্টল, বন্দুক আদি দেখা পোৱা বুলি অভিযোগ কৰি কয়, যে এইসমূহে দলটোৰ মানসিকতাৰ পৰিচয় দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বৰ প্ৰতিটো পাকঘৰতে যাতে ভাৰত তথা বিহাৰৰ কমেও এবিধকৈ হ'লেও খাদ্য সম্ভাৰ থাকে, তাৰবাবে প্ৰচেষ্টা চলোৱা হৈছে। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ যুৱক-যুৱতী আৰু কৃষকসকলৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনা আছে, কাৰণ ইয়াৰ উন্নত মানৰ লিচু, মগহী পাণ, জৰ্দালু আম আৰু মিথিলা মাখনাৰ গোলকীয় স্বীকৃতি লাভৰ যথেষ্ট সম্ভাৱনা আছে।

ইপিনে, আৰ জে ডিৰ নেতা তথা মহাজোঁট বন্ধনৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী প্ৰসাদ যাদৱে আজি ১০ খন প্ৰচাৰ অভিযানত অংশ ল'ব। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে শ্বেইখপুৰা জিলাৰ বৰবিঘা আৰু নালন্দা জিলাৰ নুৰচৰাইত নিৰ্বাচনী প্ৰচাৰত ভাগ ল'ব। ৰাজ্যখনত ১২১ টা বিধানসভা সমষ্টিৰ বাবে অহা ৬ নৱেম্বৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০০০

ভাৰত এসময়ত জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক সামৰ্থৰ ক্ষেত্ৰত অগ্ৰণী আছিল বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া তথা শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। ভাৰত সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সামুদ্ৰিক ক্ষেত্ৰৰ মানৱ ৰাজধানী শীৰ্ষক সত্ৰত মূল ভাষণ প্ৰদান কৰি শ্ৰী মন্দাভিয়াই আজি এইদৰে প্ৰকাশ কৰে। ডঃ মন্দাভিয়াই ভাৰতীয় ব্যৱসায়ীসকলে ভাস্ক' দা গামাৰ ভাৰত আগমনৰ বহু পূৰ্বেই বিশ্বৰ বিভিন্ন দেশৰ সৈতে বাণিজ্যিক পথ স্থাপন কৰিছিল। মন্ত্ৰীগৰাকীয়ে লগতে সদাগৰসকলৰ বাবে গোলকীয় পৰ্যায়ত পথ প্ৰদৰ্শক হিচাপে স্বীকৃত প্ৰাক আধুনিক কালৰ কচ্চৰ নাগৰিকসকলৰ দিক্ নিৰ্ণায়ক হাতপুথি মালাম নি পোথিৰ বিষয়ে

উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে সামুদ্ৰিক অমৃতকাল দৃষ্টিভংগী, ২০৪৭ বাস্তৱায়িত কৰাৰ বাবে প্ৰাচীন সামুদ্ৰিক জ্ঞানৰ সমল ব্যৱহাৰ কৰিব লাগিব। এই চহকী ঐতিহ্যৰ উদ্‌যাপন আৰু আগুৱাই নিয়াৰ বাবে ল'থালত সামুদ্ৰিক চৌহদ নিৰ্মাণ কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি আৰ্য সমাজৰ প্ৰতিষ্ঠাপক মহৰ্ষি দয়ানন্দ সৰস্বতী মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে মহৰ্ষি দয়ানন্দ সৰস্বতীয়ে বেদৰ জ্ঞানসমূহ সহজ ভাষাত জনসাধাৰণৰ বোধগম্য কৰাত বিশেষ ভূমিকা পালন কৰিছিল। তেওঁ কয়, যে মহৰ্ষি দয়ানন্দে মহিলাৰ শিক্ষাৰ অধিকাৰ, সমতা আৰু মৰ্যাদা সুনিশ্চিত কৰাৰ উপৰি সমাজৰ পৰা বাল্য বিবাহ, সতীদাহ প্ৰথা আঁতৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গুৰুকুল পদ্ধতি পুনৰুজ্জিৱীত কৰাৰ জৰিয়তে দয়ানন্দ সৰস্বতীয়ে ভাৰতৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থাক পুনৰ প্ৰতিষ্ঠা কৰিছিল বুলি শ্ৰী শ্বাহে উল্লেখ কৰে।

০০০০০০০০০

ভাৰত আজি নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ্ একাডেমী খেলপথাৰত হ'বলগীয়া মহিলাৰ আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব। আকাশবাণীয়ে দুপৰীয়া ২ বাজি ৩০ মিনিটৰ পৰা হিন্দী আৰু ইংৰাজী ভাষাত খেলখনৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

ইপিনে, দক্ষিণ আফ্ৰিকা প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত কালি দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক ১২৫ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত ৩১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ৪২ অ'ভাৰ আৰু ৩টা বলত ১৯৪ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱায়।

০০০০০০০০

**সমাপ্ত**